# প্ৰেছ টোকা

## ১৮-০৫-২০২০

০ কোভিড-১৯ এ সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিয়ে সমগ্ৰ বিশ্বৰ লগতে আমাৰ ভাৰতবৰ্ষৰ অৰ্থনীতিৰ প্ৰতিও বৃহৎ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। এনে পৰিপ্ৰেক্ষিতত পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ গ্ৰাম্য দুখীয়া জনসাধাৰণক আৰ্থিক সকাহ প্ৰদান কৰাৰ মাধ্যমেৰে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰি ৰখাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নিৰ্দেশনাত ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০ আপোনালোকে গম পাইছে যে ভাৰতৰ গ্ৰাম্য অৰ্থনীতি সবল কৰাৰ লক্ষ্যৰে এমজিএনৰেগাৰ বাবে কালি পুনৰ ৪০ হাজাৰ কোটি টকা নিৰ্দ্ধাৰণ কৰাৰ কথা ইতিমধ্যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতা ৰমন ডাঙৰীয়ানীয়ে ঘোষণা কৰিছে।

০ এনে প্ৰেক্ষাপটত আমাৰ ৰাজ্যখনে লাভ কৰিবলগীয়া পুঁজিৰ দ্বাৰা বহিঃৰাজ্যৰ পৰা অহা শ্ৰমিককে ধৰি আমাৰ গ্ৰাম্য দুখীয়া জনসাধাৰণক কিধৰণে সৰ্বাত্মক ৰূপত সহায় আগবঢ়াব পাৰি এই বিষয় লৈ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই কালি আমাৰ লগত মিলিত হৈ বিভিন্ন দিহা-পৰামৰ্শ দিয়ে।

০ বৰ্তমানৰ সংকটপূৰ্ণ সময়ত গ্ৰাম্য অসমৰ অৰ্থনীতি সবল কৰাত বিশেষ অৰিহনা যোগাব পৰা মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিখনৰ জৰিয়তে আমি সকলো অভাৱী গ্ৰাম্য দুখীয়া জনসাধাৰণক মজুৰিভিত্তিক কৰ্ম সংস্থাপনেৰে সহায় কৰিবলৈ লক ডাউনৰ সকলো নিয়ম মানি এই আঁচনিখন সফলভাৱে ৰূপায়ণ কৰাৰ ওপৰত ইতিমধ্যে আমি বিশেষ গুৰুত্ব দিছো।

০ আপোনালোকে জানে যে আমাৰ ৰাজ্যখনৰ বাহিৰত কাম কৰি থকা

বহু লোক বৰ্তমান ৰাজ্যলৈ ঘূৰি আহিছে আৰু কৰ্মহীন হৈ থাকিবলগীয়া হৈছে। গতিকে এই সকল লোককো মজুৰি ভিত্তিক কৰ্ম সংস্থাপনেৰে উপকৃত কৰিবলৈ যত্ন কৰা হৈছে।

০ আমি ইতিমধ্যে বিভিন্ন মাধ্যমেৰে সকলো আগ্ৰহী তথা বৰ্তমান নিৰনুৱা হৈ থাকিবলগীয়া হোৱা কৰ্মঠ ব্যক্তিক এই আঁচনিৰ অধীনত কৰ্ম সংস্থাপন ল'বলৈ আহ্বান জনাই আছো। যোৱা ২৪ এপ্ৰিলৰ পৰা এই কেইদিনৰ ভিতৰত ৰাজ্যখনৰ ৬,২৬১ টা পৰিয়ালক নতুনকৈ জব কাৰ্ড প্ৰদান কৰা হৈছে। এই জব কাৰ্ডত ২৬,৮৯১ গৰাকী সদস্যক সামৰি লোৱা হৈছে।

০ আমি বহিৰাজ্যৰ পৰা উভতি আহি নিজ ঘৰত কৰ্মহীন হৈ থকা লোকসকলৰ তালিকা প্ৰস্তুত কৰাৰ বাবে পৰিকল্পনা যুগুতাইছো। এই তালিকাত বহিঃৰাজ্যত থকা অৱস্থাত কোন ব্যক্তিয়ে কেনে কাম কৰিছিল তাৰো সবিশেষ তথ্য সন্নিবিষ্ট কৰা হ'ব। এনেদৰে কোনখন পঞ্চায়তত কিমানজন তেনে ব্যক্তি আছে বা কি কামত তেওঁলোকৰ পাৰদৰ্শিতা আছে, তাৰ বিষয়ে আমি গম পাম আৰু সেইমতে মজুৰি ভিত্তিক কৰ্মসংস্থান দিবলৈ যত্ন কৰা হ'ব।

০ প্ৰয়োজনত তেওঁলোকৰ বাবে আমি প্ৰশিক্ষণৰো ব্যৱস্থা কৰাৰ চিন্তা কৰিছো। বিশেষকৈ আপোনালোকে জানে যে আমাৰ পিএমএৱাই-জিৰ অধীনত আমি বৃহৎ সংখ্যক আৱাস গৃহ নিৰ্মাণ কৰি আছো। চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনতো বিভিন্ন কৌশলী শ্ৰমিকৰ প্ৰয়োজন আছে। এতিয়া বাহিৰৰ পৰা এনেধৰণৰ নিৰ্মাণ কাৰ্যত জড়িত যিসকল লোক উভতি আহিছে আমি তেওঁলোকক বিশেষকৈ আৱাস গৃহ নিৰ্মাণ কাৰ্যত জড়িত কৰাব পাৰিম। ইয়াৰ ফলত এফালে আমাৰ ৰাজমিস্ত্ৰীৰ অভাৱ দূৰ হোৱাৰ বাবে পিএমএৱাইৰ আৱাসগৃহ নিৰ্মাণ অধিক খৰতকীয়া হ'ব আৰু আনহাতে কৰ্মসংস্থাপন বাঢ়িব।

০ এনে লোকসকলক আমি ৭ দিনৰ ভিতৰত জব কাৰ্ড দিবলৈ নতুন নিৰ্দেশনা দিছো আৰু কাম বিচৰাৰ লগে লগে যাতে তেওঁলোকক কাম দিব পাৰি তাৰ ববে প্ৰতিখন গাঁও পঞ্চায়তে পৰ্যাপ্ত আঁচনি অনুমোদন কৰি থবলৈ নিৰ্দেশ দিয়া হৈছে। আমি সময়মতে কাম দিয়াটো নিশ্চিত কৰিবলৈ

গাঁও পঞ্চায়ত ভিত্তিত আৰু উন্নয়ন খণ্ড ভিত্তিতো তদাৰক কৰি আছো যাতে কোনো কাম বিচৰা লোক বঞ্চিত হ'ব নালাগে।

০ এই ক্ষেত্ৰত আমাৰ জ্যেষ্ঠ বিধায়ক পদ্ম হাজৰিকাডাঙৰীয়াইও বহিঃৰাজ্যৰ পৰা উভতি অহা ইচ্ছুক লোকসকলক এমজিএনৰেগাৰ অধীনত কৰ্মসংস্থান দিয়াৰ ব্যৱস্থা কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ পত্ৰ প্ৰেৰণ কৰিছে। বৰ্তমান সময়ৰ এই বিশেষ স্পৰ্শকাতৰ বিষয়টোৰ প্ৰতি তেখেতৰ সচেতনতাৰ বাবে মই তেখেতক আন্তৰিক ধন্যবাদ জনাইছো। মই আশা কৰিছো আমাৰ ৰাজ্যখনৰ প্ৰতিগৰাকী বিধায়কে নিজৰ নিজৰ সমষ্টিৰ এই কৰ্মশক্তিক আগবাঢ়ি আহি এমজিএনৰেগাৰ মাধ্যমেৰে জীৱিকা অৰ্জন কৰিবলৈ উৎসাহ যোগাব। বিশেষকৈ পঞ্চায়ত প্ৰতিনিধিসকলে তেওঁলোকৰ অধীনৰ এলেকাত এই ক্ষেত্ৰত সজাগতা সৃষ্টিত বিশেষ উদ্যোগ ল'ব পাৰে। আমি নিজেও এই ক্ষেত্ৰত তৎপৰতাৰে আগবাঢ়িবলৈ যত্ন কৰিছো। ইতিমধ্যে বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে জিলাই জিলাই গৈ পৰ্যলোচনা সভা অনুষ্ঠিত কৰি আমি এই ক্ষেত্ৰত বিভাগৰ ক্ষেত্ৰীয় বিষয়াসকলক অধিক সক্ৰিয় কৰি তুলিবলৈ যত্ন কৰিছো। ইতিমধ্যে ধেমাজি, লখিমপুৰ, মাজুলী, নগাঁও, বৰপেটা, হোজাই আৰু দৰং জিলাত এনে পৰ্যালোচনা সভা অনুষ্ঠিত কৰি কাম-কাজ পৰিদৰ্শন কৰিছো আৰু এই পদক্ষেপৰ ফলত গ্ৰামোন্নয়নৰ আঁচনিসমূহ ৰূপায়ণত অধিক অগ্ৰগতি পৰিলক্ষিত হৈছে।

০ এই ক্ষেত্ৰত আপোনালোকেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ইতিমধ্যে এই আঁচনিৰ অধীনত প্ৰতিদিনৰ মজুৰিও ২১৩টকালৈ বৃদ্ধি কৰা হৈছে। আমাৰ বহু লোকে এতিয়াও কাম কৰিবলৈ আহিবলৈ সংকোচ কৰে। অথচ জব কাৰ্ড লৈ পাৰিলে কাম নকৰাকৈ এই কাৰ্ডেৰে উপাৰ্জনো কৰিব বিচাৰে। গতিকে গাঁৱৰ লোকসকলক দলীয়ভাৱে একগোট হৈ এই আঁচনিৰ সুবিধা ল'বলৈ আগবাঢ়ি অহাৰ বাবে সংবাদ মাধ্যমৰ যোগেদি সজাগতাৰ সৃষ্টি কৰি তেওঁলোকক উৎসাহিত কৰিবলৈ আপোনালোককো মই অনুৰোধ জনাইছো। এনেদৰে কাম কৰাৰ প্ৰৱণতা সৃষ্টি কৰিব পাৰিলে তেওঁলোকৰ

জীৱন জীৱিকাৰ লগতে সমাজৰো উন্নয়ন হ'ব।

o এই ক্ষেত্ৰত সময়মতে মজুৰি প্ৰদানত আমি বিশেষ গুৰুত্ব দিছো। আপোনালোকে শুনি ভাল পাব যে বৰ্তমান ৯৯ শতাংশ শ্ৰমিকে সময়মতে মজুৰি লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ২৪ এপ্ৰিলৰ পৰা এতিয়ালৈকে ২৮.৪০ কোটি টকা মজুৰি আদায় দিয়া হৈছে। আনহাতে এই আঁচনিৰ ৰূপায়ণ অধিক স্বচ্ছ কৰিবলৈ জব কাৰ্ডসমূহৰ পৰীক্ষণ অহা এসপ্তাহৰ ভিতৰত আৰু হিতাধিকাৰীৰ একাউণ্ট পৰীক্ষণ দহ দিনৰ ভিতৰত সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

o যোৱা ২৪ এপ্ৰিলৰ পৰা এই আঁচনিৰ কাম আৰম্ভ কৰি ইতিমধ্যে ৰাজ্যৰ ৩ লাখ ৬৭ হাজাৰ পৰিয়ালক আমি মজুৰি ভিত্তিক কৰ্মসংস্থান দিবলৈ সক্ষম হৈছো। এইবাৰ আমাৰ ৰাজ্যখনৰ বাবে ৬ কোটি ৫০ লাখ কৰ্মদিনৰ অনুমোদন লাভ কৰা হৈছে। যোৱা ২৪ এপ্ৰিলৰ পৰা এতিয়ালৈকে ১২ লাখ ৩৮ হাজাৰ কৰ্মদিন সৃষ্টি কৰা হৈছে।

o আগন্তুক দিনত আমাৰ সমূহীয়া প্ৰচেষ্টাৰে এমজিএনৰেগাৰ মাধ্যমেৰে গ্ৰাম্য অসমৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰি ৰখাত আমি সফল পাৰিম বুলি মই আশাবাদী।

o পিএমৱাই-জিৰ অধীনৰ আৱাস গৃহসমূহো ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ সকলোৱে আন্তৰিকতাৰে চেষ্টা কৰি আছে আৰু লক ডাউন শিথিল কৰাৰ পিছত ৮,৭০৮ টা গৃহ এতিয়ালৈ সম্পূৰ্ণ কৰা হৈছে।

o তদুপৰি চতুৰ্দশ বিত্তীয় আয়োগৰ বাকী থকা ২৩৯৬.৯ কোটি টকাও অহা তিনিমাহৰ ভিতৰত ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই পুঁজিৰ জৰিয়তেও গ্ৰামাঞ্চলৰ বুনিয়াদী সুবিধাসমূহ গঢ়ি তোলাত সহায়ক হ'ব।

o দুখীয়া পৰিয়ালসকলক লক্ ডাউনৰ সময়ছোৱাত কিছু সকাহ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ অধীনত ঘোষণা কৰা এক হাজাৰ টকীয়া অৰ্থ সাহায্যৰ প্ৰথম কিস্তিৰ ৫০০ টকাকৈ ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনত বৃদ্ধ, বিধৱা আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে থকা পেন্সন আঁচনিৰ মুঠ ৮,৫১,৬৪১গৰাকী হিতাধিকাৰীক তেওঁলোকৰ বেংক

একাউণ্টত পোনপটীয়াকৈ প্ৰদান কৰা হৈছে।

০ অসমৰ গাঁও পঞ্চায়তসমূহৰ খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা দুখীয়া পৰিয়ালসমূহক কিছু সকাহ দিবলৈ চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰে ১,০০০ টকাকৈ নগদ ধন প্ৰদান কৰা হৈছে আৰু বৰ্তমানলৈ ৪,১৬,৫৭১ টা পৰিয়াল ইয়াৰ দ্বাৰা উপকৃত হৈছে।

০ আনহাতে ৰাষ্ট্ৰীয় বিধৱা পেন্সনৰ পৰা বাদ পৰি যোৱা বিধৱা মহিলাসকলক মাহে ৩০০ টকাকৈ পেন্সন দিয়াৰ অৰ্থে নতুনকৈ ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিখন যোৱা ৩ এপ্ৰিলত মুকলি কৰি ১,৪৩,৩১৮ গৰাকী ১৮ ৰ পৰা ৫৯ বছৰ বয়সৰ বিধৱা মহিলাক এপ্ৰিলৰ পৰা জুলাই মাহলৈকে একেলগে চাৰিমাহৰ পেন্সন ১,২০০ টকাকৈ আদায় দিয়া হৈছে।

০ আপোনালোকে গম পাইছেই যে আমাৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত থকা আত্মসহায়ক গোটসমূহৰ জৰিয়তে মিছন মোডত অসমী ব্ৰেণ্ডৰ মাস্ক বনোৱা, আত্মসহায়ক গোটসমূহে উৎপাদন কৰা খাদ্যসামগ্ৰীসমূহ সহজতে জনসাধাৰণৰ ঘৰৰ দুৱাৰ মুখতে যোগান ধৰা আদি কাম কৰি বৰ্তমানৰ প্ৰতিকূল সময়ত বিশেষ অৰিহনা যোগাই থকা হৈছে। আজিলৈকে এই গোট সমূহে প্ৰায় ৫৬ লাখ ১৬ হাজাৰ ৫৪৩টা মাস্ক প্ৰস্তুত কৰি উলিয়াইছে আৰু প্ৰায় ৩৭ লাখ মাস্ক বিক্ৰী কৰি প্ৰায় ৬.৫কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। আনহাতে আত্মসহায়ক গোটৰ প্ৰায় ৬৮ হাজাৰ সদস্যাই ৭.২৩ কোটিতকৈও অধিক টকাৰ খাদ্য সামগ্ৰী বিক্ৰী কৰিবলৈ সক্ষম হৈছে।

০ মই এইখিনিতে উল্লেখ কৰিবলৈ বিচাৰিছো যে আঁচনি ৰূপায়ণৰ দিশটো আমি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছো। এই ক্ষেত্ৰত কোনো গাফিলতি বা দুৰ্নীতিক আমি প্ৰশ্ৰয় দিয়া নাই। আপোনালোকে নিশ্চয় মন কৰিছে যে এনে কিছু বিসংগতি আমাৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে আমি নিলম্বনকে ধৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিছো। আপোনালোকৰ জৰিয়তে আজি মই আমাৰ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক পুনৰ আহ্বান জনাইছো যাতে তেওঁলোকে

কৰ'নাৰ এই বিভীষিকাৰ পৰা ৰাজ্যখনক অৰ্থনৈতিকভাৱে সবল কৰি ৰাখিবলৈ তেওঁলোকে নিষ্ঠা আৰু দায়বদ্ধতাৰে আগশাৰীৰ যোদ্ধাৰূপে কাৰ্যনিৰ্বাহ কৰক আৰু ৰাজ্যৰ গ্ৰাম্য দুখীয়া জনসাধাৰণক সহায় কৰাৰ এই পৱিত্ৰ কৰ্তব্যক আশীৰ্বাদ ৰূপে গ্ৰহণ কৰক। মই স্বীকাৰ কৰিবই লাগিব যে তেওঁলোকে যথেষ্ট কষ্ট কৰিছে। কিন্তু দুই এজনৰ কিছু ভুলৰ বাবে বিভাগটোৱে বদনাম ল'বলগীয়া হয় আৰু কঠোৰ স্থিতি গ্ৰহণ কৰিবলগীয় হয়।

০ মই পুনৰ দোহাৰিব খুজিছো যে উন্নয়নৰ এই যাত্ৰাত বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ উপৰি জনসাধাৰণ, জনপ্ৰতিনিধি আৰু আপোনালোকৰ সক্ৰিয় সহযোগ নিত্যান্তই প্ৰয়োজনীয়। মই আশা কৰো মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীডাঙৰীয়াৰ ‘আত্মনিৰ্ভৰশীল ভাৰত'ৰ স্বপ্নক বাস্তৱ ৰূপ দিয়াত আমাৰ মাননীয় দিকদৰ্শী মুখমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ দিক নিৰ্দেশনা আৰু আপোনালোক সকলোৰে সহযাগিতাৰে আমি সফল হ'ব পাৰিম।

০০০